ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ
বুৰঞ্জী বিভাগৰ প্ৰথম ষাণ্মাসিকৰ অনুমোদিত
সন্মান (Major) পাঠ্যক্ৰমৰ অন্তৰ্গত 'Introduction to
History and its Sources' শীৰ্ষক পাঠ্যপুথিৰ আধাৰত

# ইতিহাসৰ পৰিচয় আৰু সমল



KIRAN PRAKASHAN, DHEMAJI

গৌতম শৰ্মা

Scanned by CamScanner

**5.3 প্ৰাচীন ভাৰতৰ লিপি (Inscriptions of Ancient India) ঃ**

ইতিহাসৰ সমল হিচাপে লিপিসমূহৰ গুৰুত্ব অপৰিসীম। এই লিপিবোৰৰ জৰিয়তে অতীতৰ ৰাজনৈতিক, সামৰিক, আৰ্থিক, ধৰ্মীয় আদি বিভিন্ন দিশৰ বিষয়ে জানিব পৰা উপৰিও কোনো ৰজাৰ ৰাজত্বকাল, তেওঁৰ ৰাজত্বকালৰ বিভিন্ন ঘটনাৰ সময় নিৰূপণ আৰু সময় নিৰ্ণয়ত প্ৰভূত সহায় হয়। ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা প্ৰাচীন ভাৰতবৰ্ষৰ লিপিবোৰ হৈছে ঐতিহাসিকসকলৰ বাবে ৰত্ন ভাণ্ডাৰস্বৰূপ। এই লিপিবোৰ হৈছে ঐতিহাসিক সত্য উদ্ঘাটনৰ আটাইতকৈ মূল্যবান তথা নিৰ্ভৰযোগ্য সমল। লিপিবোৰৰ অধ্যয়নৰ বিষয়টিক 'Epigraphy' বুলি কোৱা হয়। এই লিপিবোৰ বিভিন্ন

Scanned by CamScanner

উপাদান যেনে— সোণ, ৰূপ, লো, তাম, ব্ৰঞ্জ আদিৰ ফলি, শিলাস্তম্ভ, শিলৰ মন্দিৰৰ বেৰ, ইটাৰ বেৰ আদিত খোদিত কৰা হৈছিল। প্ৰাচীন ভাৰতৰ এই লিপিবোৰ প্ৰাকৃত, পালি, সংস্কৃত, তেলেগু, তামিল আদিৰ লগতে বিভিন্ন ভাষাত লিখা হৈছিল। কিন্তু গৰিষ্ঠসংখ্যক লিপি ব্ৰাহ্মী আৰু খাৰোষ্ঠীত লিখা হৈছিল। এই লিপিবোৰৰ ভিতৰত অশোকৰ শিলত কটা লিপিবোৰ, স্তম্ভ লিপিবোৰ, কলিংগ ৰজা খাৰভেলৰ লিপি, সমুদ্ৰগুপ্তৰ এলাহাবাদ প্ৰশস্তি, খালিমপুৰ আৰু ভগলপুৰত পোৱা গুপ্তযুগৰ লিপিবোৰ, শক শাসক ৰুদ্ৰদমনৰ জুনাগঁড় লিপি আদিবোৰৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

প্ৰাচীন ভাৰতৰ লিপিবোৰৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি প্ৰধান কেইটামান ভাগত ভাগ কৰা হৈছে। সেইবোৰ হৈছে— প্ৰাশাসনিক, ধৰ্মীয়, প্ৰশংসাসূচক, বাণিজ্যিক, ঐন্দ্ৰজালিক, দানমূলক, সোঁৱৰণীমূলক আৰু সাহিত্যিক।

১/ প্ৰশাসনিক লিপি (Administrative Inscription) ঃ- এই প্ৰকাৰৰ লিপিবোৰে কোনো এখন ৰাজ্যৰ, তাৰ প্ৰশাসনিক ব্যৱস্থা আদিৰ ওপৰত আমাক তথ্য-পাতি প্ৰদান কৰে। ৰুদ্ৰদমনৰ জুনাগঁড় লিপি, উত্তৰ-দক্ষিণৰ বিভিন্ন ঠাইত উদ্ধাৰ হোৱা তাম্ৰলিপিবোৰ, হৰ্ষৰ বানছ্খেৰা তাম্ৰ লিপি এই শ্ৰেণীৰ লিপিৰ অন্তৰ্গত।

২/ ধৰ্মীয় লিপি (Religious Inscription) ঃ- এই শ্ৰেণীৰ লিপিত ধৰ্মীয় দিশৰ ওপৰত আলোকপাত কৰা হয়। অশোকৰ ভাব্ৰু ৰাজাজ্ঞা, অশোকৰ শিলালিপি ক্ৰমে— x, xi আৰু xii এই শ্ৰেণীৰ ভিতৰত পৰে।

৩/ প্ৰশংসাসূচক লিপি (Eulogistic Inscription) ঃ- ৰাজনৈতিক দিশৰ পৰা এই লিপিবোৰ খুব গুৰুত্বপূৰ্ণ। ইয়াত ৰজাবোৰৰ ৰাজবংশ, তেওঁলোকৰ সামৰিক অভিযানবোৰৰ সফলতা, ৰাজনৈতিক কৃতিত্ব, আভ্যন্তৰীণ আৰু বৈদেশিক সম্পৰ্ক, ৰাজনৈতিক ধাৰণা, ৰাজনৈতিক পৃষ্ঠপোষকতা, ব্যক্তিগত নিপুণতা আদি দিশবোৰৰ কথা উল্লেখ কৰা থাকে। অশোকৰ ৰাজাজ্ঞা, খাৰভেলৰ হাতীগুম্ফা লিপি, সমুদ্ৰগুপ্তৰ এলাহাবাদ প্ৰশস্তি ইয়াৰ উৎকৃষ্ট উদাহৰণ।

৪/ বাণিজ্যিক লিপি (Commercial Inscription) ঃ- এইবোৰ প্ৰধানকৈ বাণিজ্য সংক্ৰান্তীয়। সিন্ধু সভ্যতাত উদ্ধাৰ হোৱা চীল-মোহৰবোৰ এই শ্ৰেণীৰ অভিলেখ তথা লিপিৰ অন্তৰ্গত।

Scanned by CamScanner

**৫/ ঐন্দ্ৰজালিক লিপি (Magical Insciption) ঃ-** এই শ্ৰেণীৰ অভিলেখৰ কথা হৰপ্পাত উদ্ধাৰ হোৱা চীলবোৰৰ পৰাই পোৱা যায়। যিবোৰত কিছুমান যাদুবিদ্যাৰ চিত্ৰ যেনে— তাবিজ, মাদলি আদি অংকন কৰা আছিল। এই লিপিবোৰ 'Pictographic Script' ত লিখা হৈছিল। যিবোৰৰ আজিও পাঠোদ্ধাৰ হোৱা নাই। এইবোৰত বিশেষকৈ বিভিন্ন প্ৰকাৰৰ জীৱ-জন্তু, গছ,দেৱ-দেৱীৰ ছবিও পোৱা যায়।

**৬/ দানমূলক লিপি (Donative Inscription) ঃ-** এই শ্ৰেণী লিপিত মাটি-ভেটি দান কৰা সম্পৰ্কে খোদিত কৰা হৈছিল। এই লিপিবোৰৰ দ্বাৰা প্ৰাচীন ভাৰতৰ শাসকসকলে ব্ৰাহ্মণ, পণ্ডিত, ৰাজ্যৰ বিষয়াসকলৰ লগতে বিভিন্ন ধৰ্মীয় অনুষ্ঠানবোৰ প্ৰতিষ্ঠাৰ বাবে মাটি-ভেটি দান কৰিছিল।

**৭/ স্মৃতি বা সোৱৰণীমূলক লিপি (Commemorative Inscription) ঃ-** এই শ্ৰেণীৰ লিপিবোৰত জন্ম, মৃত্যু, বিভিন্ন প্ৰকাৰৰ গুৰুত্বপূৰ্ণ ঘটনা আদিক জীয়াই ৰাখিবৰ বাবে সেইবোৰৰ স্মৃতি অথবা সোঁৱৰণীত খোদিত কৰা হয়।

**৮/ সাহিত্যিক লিপি (Literary Inscription) ঃ-** কিছুমান লিপিয়ে তথা অভিলেখে বিভিন্ন কাব্যিক আৰু নাটকীয় কৰ্মক ধৰি ৰাখে। সেইচাম লিপিকে সাহিত্যিক লিপিৰ অন্তৰ্ভুক্ত কৰা হৈছে।

Scanned by CamScanner